**জাতি ঃ** খাচী কমলা (থলুৱা বা স্থানীয়)

**মাটি ঃ** খাচী কমলাৰ বাবে প্ৰধানকৈ দ' খিলা বতাহ যুক্ত মাটি উপযোগী। কিন্তু টান মাটি একেবাৰে উপযোগী নহয়। কাচী কমলা সেমেকা অৱস্থাৰ বাবে অতি স্পৰ্শকাতৰ।

**খাচী কমলাৰ বৃদ্ধি ঃ** ১) গুটি বা বীজ ২) গজালি

**গুচি বা বীজ ঃ** খাচী কমলাৰ গুটিবোৰ প্ৰধানতঃ পোলিমব্ৰাওনিক, প্ৰথম অৱস্থাতে গুটিবোৰে গছডালৰ মাকৰ দৰে ৰূপ লয় আৰু এইটোৱে পাচলি সম্বন্ধীয় চৰিত্ৰবোৰ আহৰণ কৰে। গুটিবোৰ দুই ধৰণে দেখা যায় ক) প্ৰাথমিক কাল খ) দ্বিতীয় শ্ৰেণীৰ কাল।

ক) প্ৰাথমিক কাল প্ৰাথমিক কালৰ বাবে খাচী কমলাই ওখ মাটি নিৰ্বাচন কৰে য'ত উপযুক্ত নলী-নাদ ব্যৱস্থা থাকে। গুটি সিচিঁবলৈ ২০-৩০ ছেঃ মিঃ X ১ মিঃ X ৫ মিঃ পৰিমাণৰ মাটিত গৰুৰ গোবৰ, মাটি আৰু বালি ১:১:১ পৰিমাণত মিহলি কৰি ল'ব লাগে। বীজটো সদায় সতেজ লগতে উন্নত জাতৰ হ'ব লাগে। বীজটো ২০-৩০ বছৰ পুৰণা গছৰ পৰা লব লাগে। সতেজ বীজটো বাচি লৈ পানীত ধুব লাগে তাৰ পিছত ছাত এইটো শুকাব লাগে। ২.৫ ছেঃমিঃ শাৰীৰে ব্যৱধানত বীজবিলাক মাটি খুচুৰি ৰুব পাৰি যদি গাত কৰি ৰোৱা হয় শাৰী প্ৰতি ব্যৱধান ১.৫ ছেঃমিঃ হ'ব লাগে আৰু গাতটোৰ জোখ ০.৫ ছেঃমিঃ X ১.২৫ ছেঃমিঃ হ'ব লাগে। বীজটো ৰোৱাৰ পিছত নিৰ্দিষ্ট ব্যৱধনত উপযুক্ত পৰিমাণৰ পানী দিব লাগে।

খ) দ্বিতীয় শ্ৰেণীৰ কাল- যেতিয়া বীজবিলাকৰ গজালি মেলি ৪-৬ টা মান পাত ওলাব তেতিয়া পুলিটো সাৱধানতাৰে উবালি আনি বেলেগ ঠাইত ৰুব লাগে। পুলিবিলাকৰ ব্যৱধান সাৰী বিলাকৰ মাজত ৩০ ছেঃমিঃ হ'ব লাগে। বিভিন্ন ধৰণৰ পোক-পৰুৱা আৰু বেমাৰে যাতে আক্ৰমণ কৰিব নালাগে তাৰ ওপৰত মনোযোগ ৰাখিব লাগে। পুলি বিলাকৰ তিনি বছৰ হোৱাত পুনৰ আন ঠাইত ৰুব লাগে।

২) গজালি- খাচী কমলাৰ T (টি) আৰু ওলোটা T তো (টি) গজালি ব্যৱস্থাৰ উত্তম গজালি ব্যৱস্থা।

ক) গছৰ আলু-

1. Rough Lemon, 2. Rangpur Lime

3. Cleopatra Mandaria, 4. Trifoliate Orange

খ) গছৰ আলুৰ পৰা গজালি- গছৰ আলুৰ পৰা গজালিল ওলাবলৈ ডেৰ বছৰৰ পৰা দুবছৰ সময় লাগে।

গ) পোখাৰ পৰা গজালি- পোখাৰ পৰা গজালি সংৰক্ষণৰ কৰোতে গছডালৰ উৎপাদন ক্ষমতা, স্বাস্থ্যৱান, সতেজ আৰু পোক-পৰুৱাই আক্ৰমণ নকৰা পোখা নিৰ্বাচন কৰিব লাগে। ইয়াৰ বাবে উপযুক্ত সময় হ'ল ছেপ্টেম্বৰ আৰু ফেব্ৰুৱাৰী মাহ।

ঘ) গজালি পদ্ধতি- গজালি বিলাকক মাটিৰ পৰা ২০-২৫ ছেঃমিঃ ওখ হোৱাৰ পিছত সাধাৰণতে প্ৰাধান্য দিব লাগে। গজালি পদ্ধতিতো খাচী কমলাত বিভিন্ন ধৰণে কৰা হয় উপযুক্ত গছৰ ডাল বিভিন্ন ধৰণে কাটি খাচী কমলা ৰোপণ কৰিব পাৰি। উপযুক্ত গছৰ ডাল কাটি অৰ্থাৎ কলম দিয়াৰ দৰে ৰোপণ কৰিব পাৰি।

**খাচী কমলাৰ ৰোপণ ঃ** মৌচুমী অহাৰ আগতে ০.৭৫ ছেঃমিঃ X০.৭৫ ছেঃমিঃ X ০.৭৫ ছেঃমিঃ আকাৰৰ গাত কৰি মাজত ৫X৫ মিটাৰ ঠাই ৰাখি মাটি আৰু সাৰৰ মিশ্ৰণ (১:১ পৰিমাণৰ) কৰি কাচী কমলা ৰুব।

খাচী কমলা ৰোৱাৰ উপযুক্ত সময় মে'ৰ পৰা আগষ্ট মাহ। গাতটোৰ মাজতে পুলিটো ৰুই, চাৰিওপালে সাৰ আৰু মাটিৰ মিশ্ৰণেৰে গাতটো পুৰ কৰিব লাগে। লগতে দৈনন্দিন পানী দিব লাগে যদি শুকান বতৰত হয় ।

**খাচী কমলাৰ কলম পদ্ধতি আৰু শিকন ঃ** খাচী কমলাৰ প্ৰাথমিক পৰ্যায়তে কলম পদ্ধতি কৰা হয় যেতিয়া ইয়াক ৰুবৰ বাবে উপযুক্ত হয় তেতিয়া বিভিন্ন ঠাইত ৰোৱা হয়। ৰোৱাৰ পিছত মাটিৰ ৫০-৬০ ছেঃমিঃ ওপৰৰ সকলো বিলাক ঠাল-ঠেঙুলি কাটি দিব লাগে কেৱল মূল গছ ডাল ৰাখিব লাগে। কলম দিওঁতে মনত ৰাখিব লাগে যাতে মূল গছডালৰ কোনো বেমাৰ নাথাকে, পোক-পৰুৱাই আক্ৰমণ নকৰা হ'ব লাগে।

**জৈৱ আৰু ৰাসায়নিক সাৰৰ প্ৰয়োগ ঃ**

| বছৰ | F.Y.M | N | $P_2O_5$ | $K_2O$ | মন্তব্য |
|---|---|---|---|---|---|
| ১ম বছৰ | ৫ কেজি | ১৫০ গ্ৰাম | ১২০ গ্ৰাম | ১০০ গ্ৰাম | |
| ২য় বছৰ | ১০ কেজি | ৩০০ গ্ৰাম | ২৪০ গ্ৰাম | ২০০ গ্ৰাম | প্ৰতিডাল গছত |
| ৩য় বছৰ | ১৫ কেজি | ৪৫০ গ্ৰাম | ৩৬০ গ্ৰাম | ৩০০ গ্ৰাম | প্ৰতি বছৰ |
| ৫ম বছৰ | ২০ কেজি | ৬০০ গ্ৰাম | ৪৮০ গ্ৰাম | ৪০০ গ্ৰাম | |
| ৬ষ্ঠ বছৰ | ২৫ কেজি | ৬০০ গ্ৰাম | ৩০০ গ্ৰাম | ৬০০ গ্ৰাম | |

ৰোৱাৰ প্ৰথম বছৰত কোনো সাৰ প্ৰয়োগ কৰিব নালাগে। কেৱল শিশু পুলিবিলাকত নিম কেক ৭.৫ কে. জি প্ৰতিডাল গছত দিব পাৰি। জৈৱ আৰু ৰাসায়নিক সাৰবিলাক বছৰত দুবাৰ দিব লাগে। এবাৰ ফেব্ৰুৱাৰী/মাৰ্চ মাহত আৰু এবাৰ চেপ্তেম্বৰ/অক্টোবৰ মাহত। মূল গছৰ ডালৰ পৰা ১৫-৪৫ ছেঃমিঃ আতঁৰত সাৰ প্ৰয়োগ কৰিব লাগে। সাৰ প্ৰয়োগ কৰি তাৰ ওপৰত মাটি দি দিব লাগে। নিৰ্ধাৰণ কৰা সাৰৰ ৭৫% যেনে- ৪৫০ গ্ৰাম এন (N), ২২৫ গ্ৰাম পি২ও৫ ($P_2O_5$), ৪৫০ গ্ৰাম কে২ও ($K_2O$) আৰু ৫.৬২৫ কেজি নিমতেল কেক ইয়াৰ লগত VAM ৫০০ গ্ৰাম, PSB ১০০ গ্ৰাম, A30spirillinm ১০০ গ্ৰাম আৰু Trichoderma Larzianum ১০০ গ্ৰাম প্ৰতি বছৰত প্ৰতিডাল গছত বছৰত ২ বাৰকৈ এবাৰ মাৰ্চ/এপ্ৰিল আৰু এবাৰ ছেপ্টেম্বৰ/অক্টোবৰত দিব লাগে।

খাচী কমলাক পুষ্টকাৰক হিচাপে Zn, B আৰু Mo যোগান ধৰাতো অতিকৈ দৰকাৰী। 0.02%, 0.05% আৰু 0.05% $ZnSo_4$ যোগান ধৰাতো আৱশ্যক। লগতে বোৰাক্স আৰু এমনিয়াম বছৰত তিনিবাৰকৈ দিব লাগে। ফেব্ৰুৱাৰী-মাৰ্চ, জুন-জুলাই আৰু ছেপ্টেম্বৰ-অক্টোবৰ মাহত।

এপ্ৰিল মাহৰ পৰা ঘাহঁ-বন বিলাক নিৰাব লাগে। Glyphosate নামৰ ঔষধবিধ ইয়াৰ বাবে স্প্ৰে কৰিব পাৰি। ইয়াৰ ৬০ দিন পিছত পুনৰ হাতেৰে ঘাহঁ-বন বিলাক নিৰাব লাগে।

খাচী কমলা চপোৱাৰ সময়- আঠ-দহ পিছত গছবিলাকে ফল দিবলৈ ধৰে। ফলবিলাক চপাবলৈ জখলা ব্যৱহাৰ কৰিব লাগে। কাৰণ গছৰ পৰা মাটিত পৰিলে নষ্ট হৈ যাব। সেইকাৰণে কমলা বিলাক পাৰোতে মোনা ব্যৱহাৰ কৰিব লাগে। পাৰাৰ পিছত কমলাবিলাক বাস্কেট নহ'লে কাৰ্টুনত থৈ ভালদৰে পেকিং কৰিব লাগে। ৩০-৪০ বছৰ পুৰণি গছ এডালৰ পৰা বছৰত প্ৰায় ৮০০ ৰ পৰা ২০০০ কমলা পোৱা যায়।

খাচী কমলাৰ ৰক্ষণাবেক্ষণ- ১) গছৰ গুৰিৰ- এক বিশেষ ধৰণৰ পোকে খাচী কমলাৰ গছৰ গুৰিত আক্ৰমণ কৰে। এই পোকটোৱে গছৰ গুৰিত ফুটা বনায় আৰু লাহে-লাহে গছডালত আক্ৰমণ চলায় গছডাল মাৰি পেলায়। ইয়াক ৰোধ কৰিবলৈ প্ৰোফিলেকটিক, মোনোক্ৰোটোফোচ আৰু কুইনালপোচ (১:১:২.৫) ধৰণে প্ৰয়োগ কৰি ইয়াক ৰোধ কৰিব পাৰি।

২) পোখা বা গজালিৰঃ খাচী কমলাৰপ্ৰায় ডেকা বা কোমলীয়া পুলি বিলাক প্ৰায় নষ্ট হয়। কিছুমান পোকে এই গজালি বিলাকৰ গুৰিৰ অংশ আক্ৰমণ কৰি সৰু বা ডাঙৰ অৱস্থাক ইয়াৰ বিনাশ ঘটায়। এই পোকবিলাকে মাৰ্চৰ পৰা অক্টোবৰত আক্ৰমণ কৰে। ইয়াৰ পৰা ৰক্ষা পাবলৈ কম পৰিমাণে জুই জ্বলাই দিব লাগে। লগতে নুডানৰ সৈতে বোৰ্ডামে পেষ্ট আক্ৰমণ কৰা ঠাইত দিব লাগে।

৩) গছৰ বাকলিৰ ঃ পোকে খাচী কমলাৰ গছ ডালৰ বাকলি বিলাকত আক্ৰমণ কৰে। এই আক্ৰমণৰ ফলত গছডালে কোনো পৰিপুষ্ট নোপোৱা হয় ফলত গছ ডাল মৃত্যুমুখত পৰে। মোনোক্ৰোটোফোচ লেপন দি বা স্প্ৰে কৰি ইয়াৰ পৰা ৰক্ষা কৰিব পাৰি।

পাতৰ ৰক্ষণা- কিছুমান পলুৰ দৰে পোকে খাচী কমলাৰ বিশেষকৈ নতুনকৈ গজালি ওলোৱা পাতত আক্ৰমণ কৰে। ইয়াৰ ফলত গছ ডালৰ বৃদ্ধি নহয়। ইয়াক ৰোধ কৰিবলৈ মোনোক্ৰোটোফোচ বা ফোচফামিডন স্প্ৰে কৰিব লাগে। প্ৰথম স্প্ৰে কৰাৰ ২০ দিন পিছত দ্বিতীয় স্প্ৰে কৰিব লাগে।

৫) পখিলাৰ পৰা ৰক্ষণা- বিভিন্ন ধৰণৰ পখিলাজাতীয় পোকে খাচী কমলাৰ পাত আৰু ডালবিলাকত আক্ৰমণ কৰে। ইয়াৰ পৰিত্ৰাণৰ বাবে ছেভিন (১মিঃলিঃ ১ লিটাৰ পানীত) স্প্ৰে কৰিব লাগে।

৬) ফসটোৰ ৰক্ষণাবেক্ষণ- বিভিন্ন পোকে আহি ইয়াৰ ফলত আক্ৰমণ কৰি ইয়াৰ ৰস বিলাক খায়। ফলত ফলটো সোনকালে সৰি পৰে বা গছতে নষ্ট হৈ যায়। মালামিয়ন (১ লিটাৰ পানীত ১মিঃলিঃ) আৰু মোলাচেচ (১অ) মিহলি কৰি ফলবিলাকত ছটিয়াব লাগে।

ইয়াৰ উপৰিও খাচী কমলাক বহুতো ধৰণে বিভিন্ন পোক-পৰুৱাই আক্ৰমণ কৰে। গতিকে ইয়াক ৰক্ষণাবেক্ষণ দিবৰ বাবে ইয়াৰ ওপৰত অনবৰতে মনোযোগ ৰাখিব লাগে।

৭) খহুৰ পৰা ৰক্ষণা- খাচী কমলাৰ ফলটোত, পাতত আৰু ডালবিলাকত কিছুমান খহুৰ দৰে ৰোগে আক্ৰমণ কৰে। ইয়াক ৰোধ কৰিবলৈ বোৰোডেক্স মিশ্ৰণ আৰু অক্সিক্লৰাইড স্প্ৰেকৰিব লাগে।


৮) ভিতৰি ভিতৰি আক্ৰমণৰ পৰা ৰক্ষণা- এইটো এটা বেক্টেৰিয়া বেমাৰ। এই বেমাৰটো গছডালৰ বিভিন্ন অংশত হয়। বোৰাডেক্স, ষ্ট্ৰেপ্টোচাইক্লিন, কপাৰ অক্সিক্লৰাইড মিশ্ৰণৰ স্প্ৰেকৰি ইয়াক আতঁৰাব পাৰি।

৯) ফল সৰি পৰাৰ পৰা ৰক্ষণা- কেতিয়াবা কমলা বিলাক ছিঙিবৰ নহওঁতেই কমলাবিলাক নিজে নিজে সৰি পৰে। ইয়াৰ ফলত উৎপাদন কমি যায়। নিজে সৰি পৰাৰ পৰা ৰক্ষা কৰিবলৈ কাৰ্বনেডাজিম এক লিটাৰ পানীত এক গ্ৰাম মিহলি কৰি লৈ মে' মাহৰ পৰা আৰম্ভ কৰি প্ৰতি মাহৰ অন্তৰে অন্তৰে স্প্ৰে কৰিব লাগে।

মুঠৰ ওপৰত খাচী কমলা এবিধ সুস্বাদু ফল। কিন্তু ইয়াত প্ৰতিপালন কৰিবলৈ বহুত অৱদৰ কৰিব লাগে।

উদ্যান শস্য আৰু খাদ্য সংসাধন সঞ্চালকালৰ
দ্বাৰা প্ৰকাশিত
খানাপাৰা, গুৱাহাটী-২২

# খাচী কমলা



# Mandarin Orange